লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ৩; জুলাই-ডিচেম্বৰ, ২০২১

# সত্যজিৎ কলিতাৰ কবিতা

## ১. ফাগুন তোলৈ মনত পৰে...

ধূসৰ আকাশ ধূলিয়ৰী পথ,

তোৰ সান্নিধ্যত কেঁচা মাটিৰ লেশ!

স্মৃতিৰ আবেগে কৰিছে আমনি,

সেউজীয়া তই অদূৰত শ্যামলী!!

উন্মনা আছিলো তোৰেই প্ৰেমত,

কিৰিলি পাৰিছিলো তোৰ আবেশত!

খেলিছিলো দুয়ো পলাশৰ পছোৱাত,

আছিলা চঞ্চলা পাৰভঙা যৌৱনা!!

স্তব্ধ আকাশেও হাঁহিব শিকে,

সখীয়েকৰ সৈতে ধেমালী কৰে!

শুকান দুবৰিয়েও পৰশ পাই,

সৰাপাতেও প্ৰাণ পাই উঠে!!

বৃষ্টিৰ সৈতে আলিংগন কৰিছিলো,

দেহৰ ভাঁজে ভাঁজে ছবি আঁকিছিলো!

ভৱিষ্যৎ সপোন দ্ৰষ্টা আছিলা,

সমগ্ৰ শৰীৰত শিহৰণ উঠাইছিলা!!

অনুভৱৰ জুইত দগ্ধ শৰীৰ,

মনৰ উদং পথাৰত সেন্দুৰ ছতিয়াই!

হ’ব খুজিছিলা ৰাঙলী পলাশ;

লঠাঙা দেহত উল্কা বৃষ্টি হ’ল

আশাবোৰ মোৰ মৰহি গ’ল!!!

## ২. তুমিটো ৰৈ থকা নাই...

হৃদয়ৰ কোনোবা এটা চুকত বিষণ্ণতাৰ ক’লা ডাৱৰ

নামিব খুজিছে বৰষুণ হৈ লগত বজ্ৰপাত আৰু গাজনি।

যিয়ে দেওধনী নাচে, আৰু মাদলৰ শব্দই হৃদয় কঁপাই।

সাৰ পাই দেখো...

বুকুৰ উমেৰে সজা সপোনৰ কাৰেং

সকলো চোন শেষ।

কেৱল মাথোঁ ক’লা ক’লা গোমা ধোঁৱাই চানি ধৰা গগণ নিমাত আৰু

নিস্তব্ধ।

অ, তুমি গ’লাগৈ

বহু দূৰলৈ আঁতৰি মোৰ নয়নে মনিব নোৱাৰা

সপোনে ঢুকি নোপোৱা দূৰত্বলৈ।

তুমিটো ৰৈ থকা নাই

আৰু

তুমি মোৰ হৈও থকা নাই।

**যোগাযোগৰ ঠিকনা:**
সহকাৰী অধ্যাপক
দৰ্শন বিভাগ, আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়
ই-মেইল: kalitasatyajit002@gmail.com